জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪১/২০২১

## উত্তৰ গুৱাহাটীত অসম ক্ৰিকেট সন্থাৰ আমিনগাঁও ক্ৰিকেট খেলপথাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

# অসমত এক বিশ্বমানৰ ক্ৰিকেট একাডেমী গঢ়ি তুলিবলৈ অসম ক্ৰিকেট সন্থাৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মা ক্ষেত্ৰত অসম ক্ৰিকেট সন্থাই নতুনকৈ নিৰ্মাণ কৰি উলিওৱা আমিনগাঁও ক্ৰিকেট খেলপথাৰখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে খেলপথাৰখনৰ এটা পেভিলিয়নো মুকলি কৰে।

উল্লেখযোগ্য যে নৱনিৰ্মিত এই ক্ৰিকেট গ্ৰাউণ্ডক ইতিমধ্যেই ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে চলিত চিজনত জুনিয়ৰ ক্ৰিকেট আৰু মহিলাৰ ঘৰুৱা ক্ৰিকেট আয়োজনৰ বাবে অনুমোদন জনাইছে। অহা কাইলৈৰ পৰা এই খেলপথাৰত বি চি চি আই অনুমোদিত প্ৰথমখন ঘৰুৱা ক্ৰিকেট খেল মেঘালয় আৰু চিকিমৰ মাজত অনুষ্ঠিত হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনৰ পৰা অধিক সংখ্যক আন্তঃৰাষ্ট্ৰীয় মানৰ সুদক্ষ ক্ৰিকেটাৰ গঢ় দিয়াৰ স্বাৰ্থত এক অত্যাধুনিক ক্ৰিকেট প্ৰশিক্ষণ একাডেমী গঢ়ি তুলিবলৈ অসম ক্ৰিকেট সন্থাৰ প্ৰতি আহ্বান জনায়। ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চন্দ্ৰপুৰত এক নতুন বিশ্বমানৰ ক্ৰীড়া প্ৰকল্প নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যেই ১৫০ কোটি টকাৰ এক প্ৰস্তাৱ যুগুত কৰিছে। ৰাজ্যৰ বিভিন্ন স্থানত ৫২ খন ষ্টেডিয়াম নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত থকাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই খেলপথাৰসমূহত একোবিধ নিৰ্দিষ্ট ক্ৰীড়াক প্ৰসাৰৰ লক্ষ্যৰে প্ৰশিক্ষকৰ ব্যৱস্থাকে ধৰি যাৱতীয় সকলো সা-সুবিধা ৰাজ্য চৰকাৰে প্ৰদান কৰিব।

ৰাজ্যখনত ক্ৰিকেট জনপ্ৰিয়কৰণ আৰু ক্ৰিকেটৰ আন্তঃগাঁথনি সৃষ্টিৰ ক্ষেত্ৰত অসম ক্ৰিকেট সন্থাই গ্ৰহণ কৰি অহা পদক্ষেপসমূহৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে অনাগত দিনসমূহত অধিক সংখ্যক আগশাৰীৰ প্ৰতিযোগিতা আয়োজনেৰে ৰাজ্যখনৰ ক্ৰীড়াৰ পৰিৱেশ গতিশীল কৰি ৰাখিবলৈ অসম ক্ৰিকেট সন্থাৰ প্ৰতি আহ্বান জনায়।

আজিৰ অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিমল বৰা আৰু গৃহ নিৰ্মাণ তথা নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলেও ভাষণ আগবঢ়াই অসমত ক্ৰিকেট চৰ্চাৰ পৰিৱেশ গঢ়াৰ ক্ষেত্ৰত অসম ক্ৰিকেট সন্থাৰ ভূমিকাৰ ভূয়শী প্ৰশংসা কৰে। অনুষ্ঠানত আৰক্ষীৰ যুটীয়া আয়ুক্ত পাৰ্থ সাৰথি মহন্ত, অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, সম্পাদক দেৱজিত শইকীয়াকে ধৰি সন্থাৰ এপেক্স ব'ডিৰ সদস্যসকল তথা প্ৰাক্তন আৰু বৰ্তমানৰ বহু সংখ্যক খেলুৱৈও উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৬-১১-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in